# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-APR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীযোগে মন কী বাত অনুষ্ঠান।
২।	অৰ্থনীতিবিদ অশোক কুমাৰ লাহিড়ীক উপাধ্যক্ষ হিচাপে লৈ কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগ পুনৰ গঠন।
৩।	গুৱাহাটী মহানগৰীৰ সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে মুখ্য সচিব ড০ ৰবি কোটাৰ পৰ্যালোচনা বৈঠক।
৪।	দৰং জিলাৰ ছিপাঝাৰত ঐতিহ্যমণ্ডিত ঘোঁৰাবন্ধা দৌল। বড়ো জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলত ৰংজালী বৈশাগুৰ কাৰ্যসূচী।	**আৰু**
৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ খেলত পঞ্জাৱ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

অৰ্থনীতিবিদ অশোক কুমাৰ লাহিড়ীক আয়োগৰ উপাধ্যক্ষ হিচাপে লৈ চৰকাৰে নীতি আয়োগ পুনৰ গঠন কৰিছে। শ্ৰী লাহিড়ী বৰ্তমানৰ উপাধ্যক্ষ সুমন কে বেৰীৰ স্থলাভিষিক্ত হ'ব। চৰকাৰে শ্ৰী লাহিড়ীৰ লগতে ৰাজীৱ গৌবা, প্ৰফেছৰ কে ভি ৰাজু, প্ৰফেছৰ গোবৰ্ধন দাস, ড০ এম শ্ৰীনিবাস আৰু প্ৰফেছৰ অভয় কৰান্দিকাৰক নীতি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে নীতি আয়োগ দেশৰ নীতি প্ৰণয়ৰ পৰিকাঠামোৰ গুৰুত্বপূৰ্ণ স্তম্ভৰূপে পৰিগণিত হৈছে। ইয়াৰ জৰিয়তে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ শক্তিশালী হৈছে, সংস্কাৰ ব্যৱস্থাই গতি লাভ কৰিছে আৰু জীৱন ধাৰণ সুচল হৈ পৰিছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে নীতি আয়োগে বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন আৰু দীৰ্ঘকালীন কৌশলগত চিন্তাধাৰাৰ প্ৰগতিশীল মঞ্চৰূপে কাম কৰি আহিছে।

নীতি আয়োগৰ নতুন উপাধ্যক্ষ অশোক কুমাৰ লাহিড়ীয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। বৈঠকত শ্ৰী মোদীয়ে লাহিড়ীক উপাধ্যক্ষ হিচাপে নিযুক্তিৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে অৰ্থনীতি আৰু ৰাজহুৱা নীতিৰ ক্ষেত্ৰত শ্ৰী লাহিড়ীৰ চহকী অভিজ্ঞতাই দেশৰ সংস্কাৰ আৰু বিকশিত ভাৰতমুখী যাত্ৰাক শক্তিশালী কৰিব। শ্ৰী মোদীয়ে লগতে অৰ্থনীতিবিদগৰাকীৰ প্ৰচেষ্টাই দেশত নীতি প্ৰণয়ন প্ৰক্ৰিয়াত নতুন গতি প্ৰদান কৰিব বুলি আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে নীতি আয়োগৰ নৱ নিযুক্ত পূৰ্ণকালীন সদস্যসকলকো শুভেচ্ছা জ্ঞাপন কৰে।০০০০

০০০০০০

বাৰিষাৰ সময়ছোৱাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা সমাধানৰ লক্ষ্যৰে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী দুই-তিনিদিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমুহা বতাহৰ লগতে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি তুলিছে।

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবী কোটাই ধাৰাষাৰ বৰষুণ হোৱাৰ আশংকালৈ চাই গুৱাহাটীৰ সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত কালি এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ মহানগৰীখনৰ বান ব্যৱস্থাপনা, নলা নৰ্দমাৰ পানী নিষ্কাষণ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বৈঠকত নলাসমূহৰ পৰা বোকা আঁতৰ কৰা, পাম্পিং ব্যৱস্থাসমূহ সক্ৰিয় কৰা, মেনহল আৰু নলাসমূহ ঢাকি ৰখাৰ লগতে বিপদসংকুল স্থানসমূহত বেৰিকেদ লগোৱাৰ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে মহানগৰীৰ কমেও ৩০০ টা স্থান ভূমিস্খলনপ্ৰবন অঞ্চল হিচাপে চিনাক্ত কৰি চোকা দৃষ্টি ৰখা হৈছে। বৰষুণৰ সময়ত জনসাধাৰণক সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। বৈঠকত ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে আজি আৰু কাইলৈ গুৱাহাটী মহানগৰীৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আৰু প্ৰস্তুতিৰ বিষয়ে অৱগত কৰে। জিলা প্ৰশাসনে ধাৰাষাৰ বৰষুণৰ সম্ভাৱনালৈ চাই নাগৰিকসকলৰ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। জনসাধাৰণক সতৰ্কতাৰে ভ্ৰমণৰ পৰিকল্পনা যুগুতোৱাবলৈ আৰু বান প্ৰৱণ তথা পানী জমা হোৱা ঠাই এৰাই চলিবলৈ পৰামৰ্শ দিয়া হৈছে।

ইপিনে, কালি যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত নলা নৰ্দমা পৰিষ্কাৰকৰণ অভিযান চলোৱা হয়। জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ সমন্বয়ত টিয়ক, তিতাবৰ, যোৰহাট পৌৰ সভা আৰু গাওঁ পঞ্চায়ত সংলগ্ন এলেকাসমূহত এই অভিযান চলোৱা হয়। কালি যোৰহাট পৌৰ সভাই টোকলাইৰ ৪ টা কালভাৰ্টত জমা হৈ থকা আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰা হয়। এই অভিযানৰ ফলত সমাগত বাৰিষাৰ সময়ত ৰাইজে সকাহ পাব বুলি আশা কৰা হৈছে। ০০০

০০০০০০

একাদশ শতিকাৰ পৰম্পৰাৰে সমৃদ্ধ দৰঙৰ ঘোঁৰাবন্ধা দৌল কালি সন্ধিয়া আৰম্ভ হয়। গোন্ধ বা অধিবাসেৰে কালি তিনি দিনীয়া দৌল মহোৎসৱ আৰম্ভ হৈছে যদিও দৌলৰ মুখ্য কাৰ্যসূচী আজিৰে পৰা অনুষ্ঠিত হৈছে। দৌলৰ শিখৰত ভগৱান বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ পাছতে আনুষ্ঠানিকভাৱে এই উৎসৱ আৰম্ভ হ'ব। একাদশ শতিকাতে ধৰ্মদেৱ বিপ্ৰ নামৰ এগৰাকী দৈৱজ্ঞই ব'হাগ মাহৰ প্ৰথমটো দিনতে মাটিৰ ওখ ভেঁটি বান্ধি তেতিয়াৰ বৰাবাৰী আৰু বৰ্তমানৰ বৰদৌলগুৰিত আয়োজন কৰা বিষ্ণু পূজাৰ অনুষ্ঠানৰ পৰাই দৰঙৰ দৌল উৎসৱৰ সূচনা হয়। ইয়াৰ পাছৰে পৰা ব'হাগ মাহজুৰি দৰঙত দৌল উৎসৱ উদযাপিত হৈ আহিছে। অৱশ্যে বৰদৌলৰ লগত যোগসূত্ৰহেতু ঘোঁৰাবন্ধাত ১১ আৰু ১২ ব'হাগত দৌল উৎসৱ অনুষ্ঠিত হয়। এই সন্দৰ্ভত এয়া আমাৰ দৰং জিলাৰ সংবাদদাতা ময়ুখ গোস্বামী- ***(ভইচ)***

শিল্পী জুবিন গাৰ্গ আৰু অভিনেতা ফৈলাও বসুমতাৰীক সোঁৱৰণ কৰি কালি ছিমলা বড়ো চুপাত ছিমলা দাউগাফু আফাদৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৪৯ সংখ্যক ৰংজালী বৈসাগু ফৌৰ্ব উদযাপন কৰা হয়। এই সন্দৰ্ভত আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়- ***(ভইচ)***

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ সংৰক্ষিত সমষ্টিসমূহৰ সন্দৰ্ভত নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰণালীগত বিষয়সমূহৰ সমাধান বিচাৰি দাখিল কৰা আবেদন যুক্তিসংগত বুলি অভিহিত কৰিছে। ৰাকেশ হাজৰিকাই দাখিল কৰা এখন

ৰাজহুৱা স্বাৰ্থজৰিত আবেদনৰ শুনানি গ্ৰহণ কৰি মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীয়ে কয়, যে ভুৱা জাতিগত প্ৰমাণপত্ৰৰ বিষয়টো নতুন নহয়। ৰাজহুৱা স্বাৰ্থজৰিত আবেদনখনত নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ পূৰ্বে প্ৰাৰ্থীসকলৰ জাতিগত মৰ্যাদা পৰীক্ষা কৰাৰ বাবে নতুন ব্যৱস্থা গঢ়ি তুলিবলৈ বা পূৰ্বৰ ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

০০০০০০

খালিস্তানী নেতা তথা পঞ্জাবৰ খাদুৰ চাহিব সমষ্টিৰ সাংসদ অমৃত পাল সিঙক পঞ্জাব আৰক্ষীক প্ৰদান কৰা দুদিনীয়া জিম্মাৰ ম্যাদ কালি উকলি যায়। সময়সীমা অন্ত পৰাৰ লগে লগে ডিব্ৰুগড় থানা চৌহদৰ পৰা ভাৰ্চুৱেলী পঞ্জাবৰ সংশ্লিষ্ট আদালতৰ সন্মুখত তেওঁক কালি হাজিৰ কৰোৱা হয়। আদালতে তেওঁক পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে পঞ্জাব আৰক্ষীয়ে সিঙক নিজৰ জিম্মাত লৈ পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। ৩০ এপ্ৰিলত কাৰাগাৰৰ পৰা পুনৰ ভাৰ্চুৱেল শুনানি অনুষ্ঠিত হ’ব।

০০০০০০

গুৱাহাটী মহানগৰীৰ মঠঘৰীয়াৰ বি জি তিনিআলিত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিগৰাকী যুৱতীৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে ৰৈ থকা ট্ৰাক এখনত তীব্ৰবেগী চাৰিচকীয়া বাহন এখনে খুন্দা মৰাৰ ফলত বাহনখনত থকা তিনিগৰাকী যুৱতীৰ মৃত্যু হয়। যুৱতীকেইগৰাকীৰ মৃতদেহ বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ মৰ্গত ৰখা হৈছে। অৱশ্যে এই মুহূৰ্তলৈকে যুৱতীকেইগৰাকীৰ পৰিচয় জানিব পৰা হোৱা নাই।

০০০০০০

বাক্সা জিলাৰ মানিকপুৰত কালি বজ্ৰপাতত এজন লোকৰ মৃত্যু হয়। আৰক্ষীৰ সূত্ৰই জনোৱা মতে কালি পুৱা জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰবল বৰষুণৰ লগতে বজ্ৰপাতো পৰিছিল। পথাৰলৈ গৰু চৰাবলৈ যোৱাৰ সময়তে মাদুলিবাৰীৰ আব্দুল আলী নামৰ লোকজনৰ গাত বজ্ৰপাত পৰে। প্ৰত্যক্ষদৰ্শীয়ে ততাতৈয়াকৈ আব্দুল আলীক মুছলপুৰৰ ডা০ ৰবি বড়ো অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ৪০ বছৰীয়া লোকজনৰ মৃত্যুত অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।

০০০০০০

ধেমাজি জিলাত কালি চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয়। অকাজান জনজাতি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত বিদ্যালয়সমূহৰ পৰিদৰ্শক উপস্থিত থাকে। এই বৈঠকত জিলাখনৰ ৩০ শতাংশতকৈ কম নম্বৰ প্ৰাপ্ত বিষয়ৰ শিক্ষকসকলক আৰু ৩০ শতাংশ কম ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলক জবাবদিহি কৰা হয়। ধেমাজি জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত অনুষ্ঠিত সভাখনত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰীসকলক বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈয়ে ফলাফল নিম্ন হোৱাৰ কাৰণ আৰু বিগত বৰ্ষত শিক্ষকসকলে উন্নত ফলাফলৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে সবিশেষ তথ্য বিচাৰে। এই বৈঠকত ৫৪ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিদ্যালয়ৰ নিম্ন ফলাফলৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। সভাত অসম ৰাজ্যিক অধিবিদ্যা পৰিষদৰ সম্পাদক খগেন পেগু, ধেমাজি জিলাৰ কাৰ্যকৰী সভাপতি মিলন গোহাঁই, জিলা আঁচনি বিষয়া পংকজ বৰাকে ধৰি ভালেমান লোক উপস্থিত থাকে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক পাঁচ উইকেটত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২২৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু তিনিটা বলত ৫ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ঈষান কিষানে ৩১ টা বলত ৭৪ ৰান কৰে। অভিষেক শৰ্মাই ৫৭ ৰানৰ বৰঙণি

আগবঢ়ায়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বৈভৱ সূৰ্যবংশীৰ ১০৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২২৮ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে দেলহী কেপিটেলছক ছয় উইকেটত পৰাস্ত কৰে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২৬৪ ৰান সংগ্ৰহ কৰে। দিল্লীৰ হৈ কে এল ৰাহুলে ৬৭ টা বলত ১৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নীতিশ ৰানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৮ অভাৰ ৫ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌনৰ একনা ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০০

৪ মে'ত ভোটগণনাৰ বাবে নিৰ্বাচন বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন, নীতি আয়োগৰ পুনৰ গঠন, পথ দুৰ্ঘটনাত নিহত বিহুৱতী নিশামণি হালৈক গঞাৰ শেষ বিদায়, ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি হোৱা শিল-বৰষুণ-ধুমুহাত ঠায়ে ঠায়ে বিস্তৰ ক্ষতি আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

অসমীয়া প্ৰতিদিন কাকতত পথ দুৰ্ঘটনাত বিহুৱতী নিশামণি হালৈৰ মৃত্যুৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ পাইছে। এই একেটা বাতৰি আন কাকতসমূহেও প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতত অশোক কুমাৰ লাহিড়ীক উপাধ্যক্ষ হিচাপে নিযুক্তি দি নীতি আয়োগ চৰকাৰে পুনৰ গঠন কৰাৰ বাতৰি প্ৰকাশ পাইছে।

কালি ধুমুহা-বৰষুণৰ ফলত ৰাজ্যৰ বহু অঞ্চলত ভালেমান গছ উভালি পৰাৰ লগতে বাসগৃহ আৰু যান-বাহনৰ বিস্তৰ ক্ষতি হোৱাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতত পঞ্জাৱৰ আপ বিধায়ক বিজেপিমুখী হোৱাৰ এটা বাতৰি প্ৰকাশ পাইছে।

কংগ্ৰেছ দলে গুৱাহাটী উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা পৱন খেৰাৰ অগ্ৰীম জামিন আবেদন নাকচ কৰাৰ পাছত উচ্চতম ন্যায়ালয়ৰ কাষ চপাৰ সিদ্ধান্ত লৈছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

দৈনিক অগ্ৰদূত কাকতত ৰাজ্যৰ ২১ জন সাংসদৰ সংসদ উন্নয়ন পুঁজিৰ ধনৰ সঠিক ব্যৱহাৰত ব্যৰ্থ হোৱা অভিযোগেৰে বাতৰি প্ৰকাশ পাইছে।

ৰাজ্যসভাত দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দিশে এন ডি এ। এই বাতৰি অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতত গুৱাহাটীত সন্ধানহীন শিক্ষয়িত্ৰীক শ্বিলঙত উদ্ধাৰ কৰাৰ বাতৰি প্ৰকাশ পাইছে। এই বাতৰি আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাই মহাবিদ্যালয়সমূহত ঠিকাভিত্তিক নিযুক্তি বাতিলৰ জাননী প্ৰত্যাহাৰৰ দাবী জনাইছে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

লখিমপুৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ ড০ প্ৰদীপ কুমাৰ মিত্ৰৰ কালি মৃত্যু হয়। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা ড০ মিত্ৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৬

বছৰ। লখিমপুৰ মহাবিদ্যালয়ে বৰ্তমান বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰাত প্ৰয়াত অধ্যাপকগৰাকীৰ যথেষ্ট বৰঙণি আছে। তেওঁৰ নেতৃত্বতে এই শিক্ষানুষ্ঠাখনত ইনষ্টিউচনেল বায়'টেক হাব প্ৰতিষ্ঠা হৈছিল। ড০ মিত্ৰৰ মৃত্যুত লখিমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা শিক্ষাৰ্থীৰ মাজত শোকৰ ছাঁ পৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মেঘালয়ৰ ঠাই বিশেষে প্ৰতি ঘণ্টাত ৫০ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ লগতে বৰষুণ অহাৰ সম্ভাৱনা আছে। একেদৰে অৰুণাচলৰো অঞ্চল বিশেষে প্ৰতি ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ আৰু বৰষুণ অহাৰ সম্ভাৱনা আছে। নাগালেণ্ড, মণিপুৰ,  মিজোৰাম, আৰু ত্ৰিপুৰাৰ কেতবোৰ অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**